**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 15-05-2026 **Time :** 1100 Hrs.

জ্যেষ্ঠ বিজেপি নেতা তথা নৱনিৰ্বাচিত বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে শপতগ্ৰহণ কৰিব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই লোক ভৱনত দিনৰ চাৰে ১১ বজাত আয়োজিত এটা অনুষ্ঠানত শ্ৰী পাটোৱাৰীক শপতবাক্য পাঠ কৰোৱাব। ৰাজ্যপালে কালি বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক যোড়শ অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। স্থায়ী অধ্যক্ষ নিৰ্বাচিত নোহোৱা পৰ্যন্ত অস্থায়ী অধ্যক্ষগৰাকীয়ে সদনৰ কামকাজ পৰিচালনা কৰিব। উল্লেখযোগ্য যে অহা ২১ মে'ত আৰম্ভ হ'বলগীয়া যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ প্ৰথম দিনা অস্থায়ী অধ্যক্ষগৰাকীয়ে নৱনিৰ্বাচিত বিধায়কসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। ইয়াৰ পাছতে বিধানসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন কৰা হ'ব। শাসকীয় বিজেপিয়ে বিধানসভাৰ পৰৱৰ্তী অধ্যক্ষ হিচাপে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত দাসক মনোনীত কৰিছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি নতুনকৈ শপত গ্ৰহণ কৰা চাৰিগৰাকী মন্ত্ৰীক দপ্তৰ বিতৰণ কৰে। সেই অনুসৰি, ৰামেশ্বৰ তেলীক ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম কল্যাণ তথা চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ দায়িত্ব অৰ্পণ কৰা হয়। অতুল বৰাক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ, সীমা সুৰক্ষা আৰু উন্নয়ন তথা আবকাৰী বিভাগৰ দায়িত্ব দিয়া হৈছে। একেদৰে মন্ত্ৰী চৰণ বড়োক পৰিবহণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ দায়িত্ব দিয়াৰ লগতে অজন্তা নেওগক পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ দায়িত্ব প্ৰদান কৰা হয়। দায়িত্বভাৰ গ্ৰহণ কৰি চৰণ বড়োৱে অনাগত সময়ত নিষ্ঠাৰে তেওঁৰ কাৰ্য কৰি যাব বুলি সাংবাদিকৰ আগত ব্যক্ত কৰে।

০০০০০

পেট্ৰ'ল-ডিজেলৰ ব্যয় কৰ্তন কৰিবলৈ প্ৰধানমন্ত্ৰী মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বান প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ কনভয়ৰ বাহনৰ সংখ্যা হ্ৰাস কৰিছে। পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি আহি পৰা তেল আৰু ইন্ধনৰ সংকটৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আৰু অন্যান্য ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ কনভয়ৰ সংখ্যা হ্ৰাস কৰা পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই সাংবাদিকৰ আগত এইদৰে কয়–

(বাইট)

ইপিনে, বৰ্ধিত উত্তেজনাৰ মাজতে তেল কোম্পানীসমূহে পেট্ৰ'ল আৰু ডিজেলৰ প্ৰতি লিটাৰত তিনি টকাকৈ মূল্য বৃদ্ধি কৰিছে। এই অনুসৰি নতুন দিল্লীত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ৯৭ টকা ৭৭ পইচালৈ আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত ৯০ টকা ৬৭ পইচালৈ বৃদ্ধি পাইছে। কলকাতাত পেট্ৰ'লৰ মূল্য প্ৰতি লিটাৰত ১০৮ টকা ৭৪ পইচালৈ আৰু ডিজেলৰ মূল্য ৯৩ টকা ১৪ পইচালৈ বৃদ্ধি পাইছে।

০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা, NEET পুনৰ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। সংস্থাটোৱে পৰীক্ষাৰ্থীসকলক কেৱল এন টি এৰ দ্বাৰা প্ৰকাশিত তথ্যৰ ওপৰতহে নিৰ্ভৰ কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ পূৰ্বে যোৱা ৩ মে'ত প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে NEET বাতিল কৰা হৈছিল।

NEETৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কালি সন্ধিয়া কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ বাসগৃহত উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকত

উচ্চশিক্ষা বিভাগৰ সচিব, বিদ্যালয় শিক্ষা বিভাগৰ সচিব, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালক প্ৰধান, চি বি এছ্ ইৰ অধ্যক্ষ আৰু কেন্দ্ৰীয় বিদ্যালয় সংগঠন আৰু নৱোদয় বিদ্যালয়ৰ আয়ুক্তৰ লগতে অন্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত আজি শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে যোৱা বুধবাৰে অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিছিল।

০০০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকৰ বাবে অহা ২৫ মে'ৰ পৰা জীপ ছাফাৰী বন্ধ থাকিব। প্ৰতিকূল বতৰ আৰু উদ্যানৰ ভিতৰৰ ক্ষেত্ৰসমূহৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। পূব অসম বন্য প্ৰাণী সংমণ্ডলৰ বিভাগীয় বন বিষয়াই কালি জাৰি কৰা জাননী অনুসৰি পৰ্যটকৰ সুৰক্ষাৰ স্বাৰ্থত অহা ২৫ মে'ৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা, অগৰাতলী, বাগৰি, বুঢ়াপাহাৰ বনাঞ্চল ক্ষেত্ৰ পৰ্যটকৰ বাবে বন্ধ থাকিব।

০০০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত  অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ অধিবক্তা আব্দুৰ ৰজ্জাক ভূঞা আৰু অধিবক্তা জ্যোতিস্মিতা শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামী আৰু অৰূপ কুমাৰ শৰ্মাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়াৰ চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে পাঞ্জাব কিংছক ছয় উইকেটত পৰাস্ত কৰে।

০০০০০০০

**সমাপ্ত**